**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-01-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
HEADLINE

১। সংসদৰ বাজেট অধিৱেশনৰ পূৰ্বে নতুন দিল্লীৰ সংসদ ভৱনত আজি এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়।

২। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সন্ধিয়া মহাত্মা গান্ধীৰ ৭৭ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে নতুন দিল্লীৰ গান্ধী স্মৃতিত এখন সৰ্বধৰ্ম প্ৰাৰ্থনা সভাত ভাগ লয়।

৩। ৫ ফেব্ৰুৱাৰীত হ'বলগীয়া ৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে।

৪। উত্তৰ প্ৰদেশ চৰকাৰৰ মুখ্য সচিব মনোজ কুমাৰ সিং আৰু আৰক্ষী সঞ্চালক প্ৰধান প্ৰশান্ত কুমাৰে আজি প্ৰয়াগৰাজৰ মহাকুম্ভৰ সংগমঘাট পৰিদৰ্শন কৰি শেহতীয়া পৰিস্থিতিৰ বুজ লয়।

*আৰু*

৫। উত্তৰাখণ্ডৰ ডেৰাডুনত অনুষ্ঠিত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত কৰ্ণাটক মুঠ ১২টা পদকেৰে প্ৰথম স্থানত আছে।

ooooo

সংসদৰ বাজেট অধিৱেশনৰ পূৰ্বে নতুন দিল্লীৰ সংসদ ভৱনত আজি এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। বৈঠকত বাজেট অধিৱেশনৰ কাম-কাজসমূহ নিয়াৰিকৈ চলাই নিবৰ বাবে চৰকাৰে সকলো ৰাজনৈতিক দলৰ সহযোগিতা কামনা কৰে। বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কয়, যে বাজেট অধিৱেশনৰ আৰম্ভণিতে কাইলৈ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংসদৰ দুয়োখন সদনক সম্বোধি ভাষণ দিব। ইয়াৰ পাছতে এটা অৰ্থনৈতিক সমীক্ষা প্ৰকাশ কৰা হ'ব আৰু শনিবাৰে কেন্দ্ৰীয় বাজেট দাখিল কৰা হ'ব। শ্ৰী ৰিজিজুৱে কয়, যে এই অধিৱেশনত ৰাষ্ট্ৰপতিৰ ভাষণ সন্দৰ্ভত আলোচনা হোৱাৰ লগতে বাজেট সন্দৰ্ভতো আলোচনা কৰা হ'ব। অহা ১৩ ফেব্ৰুৱাৰীত বাজেট অধিৱেশনৰ অন্ত পৰিব। ইয়াৰ পাছত ১০ মাৰ্চত পুনৰ বাজেট অধিৱেশন অনুষ্ঠিত হ'ব। সদনত ইতিমধ্যে ১৬ খন বিধেয়ক আৰু ১৯ টা কাৰ্যসূচী তালিকাভুক্ত কৰা হৈছে। ইপিনে, অহা ৫ ফেব্ৰুৱাৰীত ৰাষ্ট্ৰীয় ৰাজধানীত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ পৰিপ্ৰেক্ষিতত সদনৰ কাম-কাজ বন্ধ থাকিব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। আজিৰ সৰ্বদলীয় বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰী তথা লোকসভাৰ উপনেতা ৰাজনাথ সিং, স্বাস্থ্য মন্ত্ৰী তথা ৰাজ্যসভাৰ নেতা জে পি নাড্ডা, কংগ্ৰেছৰ সাংসদ জয়ৰাম ৰমেশ আৰু গৌৰৱ গগৈ, টি এম চিৰ সাংসদ সুদীপ বন্দোপাধ্যায়, সমাজবাদী পাৰ্টীৰ সাংসদ ৰামগোপাল যাদৱ, বি জে ডিৰ সাংসদ ছচমীত পাত্ৰ, ডি এম কেৰ সাংসদ টি আৰ বাৰুল লগতে ভালে কেইগৰাকী সাংসদে অংশগ্ৰহণ কৰে।

ooooo

সংসদৰ বাজেট অধিবেশনৰ পূৰ্বে আকাশবাণীৰ বাতৰি সেৱা বিভাগে আজি সংসদ কে সমক্ষ মুড্ডে আৰু ইছ্যুজ বিফ'ৰ পাৰ্লিয়ামেণ্ট শীৰ্ষক এটা বিশেষ আলোচনাৰ অনুষ্ঠান প্ৰচাৰ কৰিব। সংসদ কে সমক্ষ মুড্ডে শীৰ্ষক

হিন্দী ভাষাৰ অনুষ্ঠানটি আকাশবাণী গোল্ডৰ ১০০ দশমিক ১ মেগাহাৰ্টজ আৰু অতিৰিক্ত ফ্ৰিকুৱেন্সিসমূহত নিশা চাৰে ৯ বজাত শুনিবলৈ পোৱা যাব। ইংৰাজী ভাষাত আনটো অনুষ্ঠান একে সময়তে আকাশবাণী ৰেইনব'ৰ ১০২ দশমিক ৬ মেগাহাৰ্টজ আৰু অতিৰিক্ত ফ্ৰিকুৱেন্সিসমূহত শুনিবলৈ পোৱা যাব। অনুষ্ঠান দুটা আকাশবাণীৰ ইউটিউব চেনেল নিউজ অন এয়াৰ অফিচিয়েলতো শুনিবলৈ পোৱা যাব।

০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সন্ধিয়া মহাত্মা গান্ধীৰ ৭৭ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে নতুন দিল্লীৰ গান্ধী স্মৃতিত এখন সৰ্বধৰ্ম প্ৰাৰ্থনা সভাত ভাগ লয়। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে গান্ধীজীৰ মৃত্যু বাৰ্ষিকীত তেওঁৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। শ্ৰী মোদীয়ে এটা বাৰ্তাত কয়, যে মহাত্মা গান্ধীৰ আদৰ্শই দেশবাসীক এখন উন্নত ভাৰত নিৰ্মাণ কৰিবলৈ সদায় অনুপ্ৰাণিত কৰি আহিছে। প্ৰধানমন্ত্ৰীয়ে লগতে দেশৰ বাবে প্ৰাণ আহুতি দিয়া বীৰ ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা জনায় তেওঁলোকৰ সেৱা আৰু ত্যাগক সোঁৱৰে।

০০০০০

৫ ফেব্ৰুৱাৰীত হ'বলগীয়া ৭০ জনীয়া দিল্লী বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। প্ৰায় আটাইবোৰ প্ৰধান ৰাজনৈতিক দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে উঠি-পৰি লাগিছে। বিজেপি, আম আদমী পাৰ্টি আৰু কংগ্ৰেছৰ আগশাৰীৰ নেতাসকলে দলীয় প্ৰাৰ্থীৰ হকে জনসাধাৰণৰ সমৰ্থন আদায়ৰ বাবে জনসভা আৰু ৰোড শ্ব'ত অংশগ্ৰহণ কৰাৰ লগতে ভোটদাতাসকলৰ ঘৰে ঘৰে প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ৰোহিনী আৰু ৰাজিৰপুৰত নিৰ্বাচনী প্ৰচাৰ চলায়। ৰোহিনীত এখন জনসভাত ভাগ লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে দিল্লীত বিজেপি শাসনলৈ আহিলে মহানগৰখনৰ মহিলাসকলক দুহেজাৰ ৫০০ টকাকৈ প্ৰদান কৰা হ'ব বুলি উল্লেখ কৰে। তেওঁ লগতে কয়, যে প্ৰতিগৰাকী গৰ্ভৱতী মহিলাই ২১ হাজাৰ টকাকৈ লাভ কৰিব আৰু দিল্লীৰ আবাসীসকলে এল পি জি চিলিণ্ডাৰ ৫০০ টকাত লাভ কৰিব। শ্ৰী শ্বাহে আপৰ আহ্বায়ক অৰবিন্দ কেজৰিৱালে নিৰ্বাচনত জিকিবলৈ যমুনা নদীত বিহ দিয়া বুলি বিজেপিক অভিযোগ কৰা বিষয়টোৰ সমালোচনা কৰে। ইপিনে কৃষ্ণ নগৰত নিৰ্বাচনী প্ৰচাৰ চলাই বিজেপিৰ সভাপতি জে পি নাড্ডাই আপে বিগত ১০ বছৰত ৰাষ্ট্ৰৰ ৰাজধানীখনত কোনো বিশেষ কাম নকৰিলে বুলি অভিযোগ কৰে। তেওঁ কয়, যে আপে কেন্দ্ৰীয় চৰকাৰৰ কোনো আঁচনিৰ সুবিধা গ্ৰহণ নকৰিলে আৰু জনসাধাৰণক প্ৰৰোচিত কৰিলে। জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে যমুনা নদীত বিহ দিয়া আৰু অবৈধ সুৰা কেলেংকাৰীকে ধৰি অন্যান্য বিষয়ক লৈ আপক কঠোৰ সমালোচনা কৰে। আপৰ আহ্বায়ক অৰবিন্দ কেজৰিৱালে কংগ্ৰেছ দলে বিজেপিৰ সৈতে লগ হৈ তেওঁৰ দলে বিধানসভা নিৰ্বাচনত পৰাজিত হোৱাটো নিশ্চিত কৰাৰ চেষ্টা কৰিছে বুলি অভিযোগ কৰে। শ্ৰী কেজৰিৱালে সংবাদ মাধ্যমৰ আগত কংগ্ৰেছে বিজেপিৰ সৈতে হাত মিলাইছে বুলি দাবী কৰি দলৰ কাৰ্যকৰ্তাসকলক কংগ্ৰেছক ভোট নিদিবলৈ আহ্বান জনায়। আপৰ জ্যেষ্ঠ নেতা তথা পাঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানেও আজি কেইখনো জনসভা আৰু ৰোড শ্ব'ত অংশ লয়। দলীয় প্ৰাৰ্থীৰ সমৰ্থনত শ্ৰী মানে কয়, যে আপে বিগত সময়ছোৱাত বিনামূলীয়া বিদ্যুৎ, বিনামূলীয়া পানী, বিদ্যালয় আৰু হাস্পতালৰ উন্নত আন্তঃগাঁথনি আদিকে ধৰি পূৰ্বৰ নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতিসমূহ পূৰণ কৰিছে বুলি মত প্ৰকাশ কৰে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙেও দিল্লী কেণ্টনমেণ্ট আৰু বিশ্বাসনগৰ সমষ্টিত প্ৰচাৰ চলায়। একেদৰে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাবিছে মুষ্টাফাবাদ, গকুলপুৰ আৰু বাবৰপুৰ ৰেলীত অংশ লয়। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কাৰাৱাল নগৰ, ঘোন্দা আৰু চান্দনী চ'কত তিনিখন প্ৰচাৰ সভাত ভাগ লয়।

০০০০০

উত্তৰ প্ৰদেশ চৰকাৰৰ মুখ্য সচিব মনোজ কুমাৰ সিং আৰু আৰক্ষী সঞ্চালক প্ৰধান প্ৰশান্ত কুমাৰে আজি প্ৰয়াগৰাজৰ মহাকুম্ভৰ সংগমঘাট পৰিদৰ্শন কৰি শেহতীয়া পৰিস্থিতিৰ বুজ লয়। এই পৰিদৰ্শন কালত বিষয়া দুগৰাকীয়ে মেলা ক্ষেত্ৰৰ সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনা কৰে। মেলা বিষয়া বিজয় কিৰণ আনন্দ আৰু উপ-মহাপৰিদৰ্শক বৈভৱ কৃষ্ণই তেওঁলোকক সুৰক্ষা ব্যৱস্থাকে ধৰি অন্যান্য যাৱতীয় বিষয় সন্দৰ্ভত অৱগত কৰে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, মহাকুম্ভৰ সংগম ঘাটৰ সমীপৰ আখাৰা ক্ষেত্ৰত মৌনী অমাৱস্যাৰ নিশা ভক্তৰ হেচাথেলাত পদপিষ্ট হৈ কমেও ৩০ গৰাকী লোকৰ মৃত্যু হয়। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে কালি মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানক পৰিস্থিতি পৰ্যৱেক্ষণ কৰি এই দুৰ্ঘটনা সন্দৰ্ভত তথ্য দাখিল কৰিবলৈ নিৰ্দেশ দিছিল।

উল্লেখযোগ্য যে, উত্তৰ প্ৰদেশ চৰকাৰে অহা ৩ ফেব্ৰুৱাৰীত বসন্ত পঞ্চমী উপলক্ষে অমৃত স্নানৰ সময়ত মেলা ক্ষেত্ৰত বিশিষ্ট ব্যক্তিসকলৰ আহ-যাহত বাধা আৰোপ কৰিছে। এই সময়ছোৱাত নিৰাপত্তা বাহিনীৰ লোকসকল ভক্তসকলৰ সুৰক্ষাত ব্যস্ত হৈ থাকিব বুলি উপ-মহাপৰিদৰ্শক বৈভৱ কৃষ্ণই সাংবাদিকৰ আগত প্ৰকাশ কৰিছে।

ওড়িশা চৰকাৰে মহাকুম্ভৰ পৰিপ্ৰেক্ষিতত প্ৰয়াগৰাজলৈ চলাচল কৰা সকলো বিশেষ বাছৰ সেৱা অহা ৪ ফেব্ৰুৱাৰীলৈ বন্ধ কৰিছে। প্ৰয়াগৰাজত ভক্তৰ সমাগমত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত নহয় তাৰ বাবে এই সিদ্ধান্ত লোৱা হৈছে।

০০০০০

বৈদেশীক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি দিল্লী বিশ্ববিদ্যালয়ত বিভিন্ন মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ সৈতে এটা মতবিনিময় অনুষ্ঠানত ভাগ লয়। অনুষ্ঠানত ড০ জয়শংকৰে শিক্ষাৰ্থীসকলক উদ্দেশ্যি কয়, যে যুৱ চামৰ অবিহনে বিকশিত ভাৰতৰ পৰিকল্পনা কেতিয়াও সম্ভৱ নহয়। তেওঁ যুৱক-যুৱতীসকলক শিক্ষিত কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয়, যে তেওঁলোকক বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা দেখুৱাবৰ বাবে স্বাধীনভাৱে নিজৰ সৃষ্টিশীলতা প্ৰকাশ কৰিব পৰাৰ সুবিধা প্ৰদান কৰা উচিত। ড০ জয়শংকৰে শিক্ষাৰ্থীসকলক নিজৰ নিজৰ ক্ষেত্ৰসমূহত ভাল প্ৰদৰ্শন আগবঢ়াবলৈ উৎসাহ দিয়ে। তেওঁ লগতে কয়, যে দেশৰ যুৱক-যুৱতীসকলৰ বাবে এতিয়াও বহু পথ মুকলি হ'বলৈ বাকী আছে আৰু ভৱিষ্যতে দেশে সৰ্বোচ্চ বিকাশৰ দৌৰত আগবাঢ়ি যাব।

০০০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত পৰহিলৈ বিশ্ব গ্ৰন্থমেলা আৰম্ভ হ'ব। এই বছৰৰ বিশ্ব গ্ৰন্থমেলাৰ মূল বিষয় হৈছে- **আমি ভাৰতৰ জনসাধাৰণ**। দেশৰ স্বাধীনতাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ সৈতে সংগতি ৰাখি এই বিষয়টো গ্ৰহণ কৰা হৈছে। ৯ দিনীয়াকৈ আয়োজিত এই গ্ৰন্থমেলা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুই উদ্বোধন কৰিব। নেচনেল বুক ট্ৰাষ্টৰ সঞ্চালক যুৱৰাজ মালিকে আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা কথা-বতৰাত কয়, যে এইবাৰৰ বিশ্ব

গ্ৰন্থমেলাত ৰাছিয়াই মুখ্য দেশ হিচাপে ভাগ ল'ব। ফ্ৰান্স, আৰ্জেণ্টিনা, স্পেইন, কলম্বিয়া, আবু ধাবি আৰু কাটাৰকে ধৰি ৫০ খন দেশে এই গ্ৰন্থমেলাত অংশগ্ৰহণ কৰিব। গ্ৰন্থমেলাত দুহেজাৰৰো অধিক প্ৰকাশক আৰু প্ৰায় এহেজাৰ বক্তাই ভাগ ল'ব।

০০০০০

উত্তৰাখণ্ডত অনুষ্ঠিত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত কৰ্ণাটকে এতিয়ালৈকে ৭ টা সোণ, তিনিটা ৰূপ আৰু দুটা ব্ৰঞ্জৰ পদকসহ মুঠ ১২টা পদকেৰে প্ৰতিযোগিতাৰ পদক তালিকাৰ শীৰ্ষত আছে। মণিপুৰে ৬টা সোণ আৰু ৪টা ৰূপৰ পদকেৰে দ্বিতীয় স্থানত থকাৰ লগতে মহাৰাষ্ট্ৰই ৪টা সোণ, ১৯ টা ৰূপ আৰু ৮টা ব্ৰঞ্জৰ পদকসহ মুঠ ২৩ টা পদকেৰে তৃতীয় স্থানত আছে।

ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত উশ্বুৰ জৰিয়তে অসমে প্ৰথমটো পদক অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। উশ্বু খেলুৱৈ ছনমা ব্ৰহ্মই অসমক ৰূপৰ পদক উপহাৰ দিয়ে। ইপিনে ৰাষ্ট্ৰীয় ক্ৰীড়াৰ ফুটবলত অসমে জয়ৰে অভিযান আৰম্ভ কৰিছে। আজি অনুষ্ঠিত গ্ৰুপৰ খেলত অসমে শক্তিশালী গোৱাক ৩-২ গ'লত পৰাস্ত কৰে। উল্লেখযোগ্য যে ১৮ বছৰৰ পিছত ৰাষ্ট্ৰীয় ক্ৰীড়ালৈ অসম ফুটবল দলে যোগ্যতা অৰ্জন কৰিছে।

০০০০০

সমাপ্ত